# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-09-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*
**:::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি এদিনীয়া ভ্ৰমণসূচীৰে চিৰাং আৰু বঙাইগাঁও জিলা ভ্ৰমণ কৰি কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ বঙাইগাঁও চহৰৰ বিসৰ্জন ঘাটত নিৰ্মাণ কৰা ৰাকিং জোন, সাংগীতিক ফোৱাৰা উদ্বোধন কৰাৰ উপৰি বঙাইগাঁৱৰ ইকো পাৰ্কত পদসেতু আৰু প্ৰৱেশ দ্বাৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। তেওঁ জিলাখনত নিৰ্মিয়মান চিকিৎসা মহাবিদ্যালয়ৰ প্ৰকল্পস্থলীও পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লৈ এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে, বঙাইগাঁও চহৰৰ সৌন্দৰ্য্য বৰ্ধন তথা বিকাশক নতুন মাত্ৰা প্ৰদানৰ লক্ষ্যৰে চহৰখনৰ বিসৰ্জন ঘাটত ২০২২-২৩ বৰ্ষৰ স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি গ্ৰামীনৰ অধীনত মুঠ ৫ কোটি ৯১ লাখ টকা ব্যয়ৰে ৰাকিং জোন আৰু ফোৱাৰা নিৰ্মাণৰ প্ৰকল্প লোৱা হৈছে। ইয়াৰ আগেয়ে আজি পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীয়ে বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়ৰ সেৰা অহা বছৰ আৰম্ভ কৰাৰ পৰিকল্পনা কৰা হৈছে বুলি উল্লেখ কৰে। ইয়াৰ বাবে বিভিন্ন পদত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰাৰ লগতে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। আজি মুখ্যমন্ত্ৰীৰ পৰিদৰ্শনকালত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, জয়ন্ত মল্লবৰুৱা, সাংসদ ফণীভূষণ চৌধুৰীৰ লগতে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে বিভিন্ন জিলাত সমষ্টি পুনৰ নিৰ্ধাৰণৰ জৰিয়তে আঞ্চলিক পঞ্চায়ত, গাঁও পঞ্চায়ত আৰু জিলা পৰিষদৰ সীমা নতুনকৈ নিৰ্ধাৰণ কৰা হৈছে। শিৱসাগৰ জিলাত ২০০১ চনৰ পিয়লক ভিত্তি কৰি তথা পঞ্চায়ত আইন অনুসৰি সীমা নিৰ্ধাৰণ কৰা হৈছে। শিৱসাগৰ জিলাৰ অন্তৰ্গত শিৱসাগৰ, নাজিৰা আৰু ডিমৌ বিধানসভা সমষ্টিৰ প্ৰতিটোতে ২৭ বা ২৮ খন গাঁও পঞ্চায়ত অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি জিলাখনত পূৰ্বৰ পাঁচটা উন্নয়ন খণ্ডৰ ঠাইত ছয়টা উন্নয়ন খণ্ড কৰা গৈছে। প্ৰতিটো সমষ্টিয়ে দুটাকৈ উন্নয়ন খণ্ড লাভ কৰাৰ লগতে প্ৰতিটো উন্নয়ন খণ্ডত ১৩ বা ১৪ খনকৈ গাঁও পঞ্চায়ত অন্তৰ্ভুক্ত কৰা হৈছে। আজি জিলাখনৰ আয়ুক্তই এই বিষয়ে প্ৰকাশ কৰি এই বিষয়ত ওজৰ-আপত্তি দাখিলৰ বাবে ১৮ৰ পৰা ২০ ছেপ্তেম্বৰ পৰ্যান্ত সময় নিৰ্ধাৰণ কৰি দিছে। ১৯ ছেপ্তেম্বৰত সমূহ ৰাজনৈতিক দলৰ সৈতে বৈঠক অনুষ্ঠিত হোৱাৰ পাছত ২৩ৰ পৰা ২৫ ছেপ্তেম্বৰ পৰ্যন্ত ওজৰ-আপত্তিসমূহ পৰীক্ষা কৰা হ'ব। ২৭ ছেপ্তেম্বৰত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব।

০০০০০০০০

ৰাজ্যত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আৰু অতিৰিক্ত ৰেচন কাৰ্ড প্ৰদানৰ ব্যৱস্থা কাইলৈ শুভাৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাইলৈ দিনৰ ১১ বজাত মাজুলীত এই কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। সমগ্ৰ ৰাজ্যৰ লগতে গোলাঘাট জিলাতো কাইলৈ অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় আৰম্ভ হ'ব। গোলাঘাট নগৰৰ জেনেৰেল ফিল্ডত শুভাৰম্ভ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি গোলাঘাট জিলা আয়ুক্ত গৰাকীয়ে কাইলৈ হ'ব লগীয়া অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। আনহাতে কৰিমগঞ্জৰ নীলমণি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অৰুণোদয় আঁচনি তৃতীয় পৰ্যায়ৰ শুভাৰম্ভ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে জিলাখনত আঁচনিৰ শুভাৰম্ভ কৰিব। জিলা প্ৰশাসনে উত্তৰ কৰিমগঞ্জৰ হিতাধিকাৰীসকলক কাইলৈ এই অনুষ্ঠানত উপস্থিত থাকিবলৈ আহ্বান জনাইছে।

০০০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে আজি বিশ্ব বাঁহ দিৱস উদযাপন কৰাৰ লগতে দিৱসৰ সৈতে সংগতি ৰাখি বাঁহৰ প্ৰসংস্কৰণ আৰু মূল্য সংযোজনৰ ওপৰত তিনি দিনীয়া প্ৰশিক্ষণ কৰ্মশালা আৰম্ভ কৰে। প্ৰতিষ্ঠানৰ জ্যেষ্ঠ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাৰ তত্বাৱধানত আৰম্ভ হোৱা এই প্ৰশিক্ষণত ২৩ জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। সৰ্বভাৰতীয় সমন্বিত বাঁহ প্ৰকল্পৰ অৰ্থ সাহায্যত অনুষ্ঠিত এই কৰ্মশালাত প্ৰাঞ্জল কুমাৰ গোস্বামীয়ে সমল ব্যক্তি হিচাপে বক্তৃতা আগবঢ়ায়। এই প্ৰশিক্ষণত বাঁহ গাজৰ মূল্য সংযোজিত সুস্বাদু খাদ্য প্ৰস্তুত কৰিবলৈ প্ৰশিক্ষন দিয়া হ'ব।

০০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত এন পি এছ্ বাৎসল্য আঁচনিৰ শুভাৰম্ভ কৰে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে আঁচনিখনৰ প্ৰচাৰ-পত্ৰিকা উন্মোচনৰ লগতে নতুন নাবালক উপভোক্তাসকলক স্থায়ী অৱসৰ একাউণ্ট নম্বৰ - প্ৰাণ কাৰ্ড বিতৰণ কৰে। এই আঁচনিৰ জৰিয়তে শিশু উপভোক্তাসকলক প্ৰাণ নম্বৰেৰে এন পি এছ্ বাৎসল্যত অন্তৰ্ভুক্ত কৰা হ'ব। নতুন দিল্লীত আয়োজিত এই কাৰ্যসূচীৰ সমান্তৰালভাৱে সমগ্ৰ দেশৰ প্ৰায় ৭৫টা স্থানত একে সময়তে এই মুকলি অনুষ্ঠান অনুষ্ঠিত হয়। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে দিল্লীৰ কাৰ্যসূচীৰ সৈতে জড়িত হোৱা অঞ্চলসমূহত নতুন নাবালক উপভোক্তাসকলে যোগদান কৰাৰ লগতে তেওঁলোকক প্ৰাণ সদস্যপদো বিতৰণ কৰা হয়। এই আঁচনিৰ জৰিয়তে অভিভাৱকসকলৰ পেন্সন একাউণ্টত বিনিয়োগেৰে সন্তানৰ ভৱিষ্যত সুৰক্ষাৰ সুবিধা আগবঢ়োৱা হ'ব। এই আঁচনিৰ যোগেদি অভিভাৱকসকলে সন্তানৰ নামত বছৰি ন্যূনতম এহেজাৰ টকাকৈ বিনিয়োগ কৰিব পাৰিব। কেন্দ্ৰীয় চৰকাৰে এন পি এছ্ বাৎসল্য আঁচনিৰ জৰিয়তে সকলোৰে বাবে দীৰ্ঘম্যাদী বিত্তীয় পৰিকল্পনা আৰু নিৰাপত্তাৰ প্ৰতি থকা তেওঁলোকৰ দায়বদ্ধতা প্ৰকাশ কৰিছে।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে

নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০০

**সমাপ্ত**